# India-Finland Virtual Summit

March 16, 2021

---

## ভাৰত-ফিনলেণ্ড ভাৰ্চুৱেল সন্মিল

**মাৰ্চ 16, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী ছান্না মেৰিনে আজি এক ভাৰ্চুৱেল সন্মিলনত অংশগ্ৰহণ কৰে আৰু পৰস্পৰৰ আগ্ৰহ থকা বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়।

দুয়োগৰাকী নেতাই ভাৰত আৰু ফিনলেণ্ডৰ মাজত থকা গণতান্ত্ৰিক মূল্যবোধ, সমনীতি, বাক্ স্বাধীনতা আৰু মানৱ অধিকাৰৰ সন্মানৰ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰে। তেওঁলোকে আন্তৰ্জাতিক নীতি, বহনক্ষম বিকাশ আৰু জলবায়ু পৰিৱৰ্তন ৰোধৰ দিশত ঐক্যবদ্ধভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দোহাৰে।

দুয়োগৰাকী নেতাই চলিত দ্বিপাক্ষিক সম্পৰ্কৰ খতিয়ান লয় আৰু বিভিন্ন বিষয়ত এই সম্পৰ্ক প্ৰসাৰণ কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ফিনলেণ্ডৰ স্বচ্ছ আৰু সেউজ প্ৰযুক্তিক প্ৰশংসা কৰে আৰু ভাৰতৰ বহনক্ষম বিকাশত ফিনলেণ্ডৰ উদ্যোগসমূহক সহযোগী হ'বলৈ আহ্বান কৰে। পুনৰ নৱীকৰণযোগ্য আৰু জৈৱ শক্তি, বহনক্ষমতা, প্ৰযুক্তিভিত্তিক শিক্ষা, ফাৰ্মা আৰু ডিজিটাইজেছনৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত সহযোগিতা স্থাপন হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

দুয়োগৰাকী নেতাই ভাৰত-ইউৰোপ সহযোগিতা, আৰ্কটিক অঞ্চলত সহযোগিতা, ডব্লিউটিঅ' আৰু ৰাষ্ট্ৰসংঘৰ সংস্কাৰকে ধৰি বিভিন্ন আঞ্চলিক আৰু বিশ্বজনীন সমস্যা ওপৰত মন্তব্য প্ৰদান কৰে। আফ্ৰিকাৰ বিকাশৰ বাবে ভাৰত আৰু ফিনলেণ্ডৰ সহযোগিতাই এক সম্ভাৱনাৰ সৃষ্টি কৰিব পাৰে বুলি দুয়োগৰাকী নেতাই মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ফিনলেণ্ডক আন্তৰ্জাতিক সৌৰ সহযোগিতা আৰু দুৰ্যোগ প্ৰতিৰোধক আধাৰভূত সংৰচনা আন্তঃগাঁথনি (চিডিআৰআই) ৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়।
দুয়োগৰাকী নেতাই ক'ভিড-১৯ৰ পৰিস্থিতিৰ বিষয়েও আলোচনা কৰে।

পৰ্ট'ত আগন্তুক ভাৰত আৰু ইউৰোপৰ নেতৃবৰ্গৰ বৈঠক আৰু ভাৰত-নৰ্ডিয়াক সন্মিলনৰ বিষয়ে দুয়োগৰাকী নেতাই উল্লেখ কৰে।

**নতুন দিল্লী**
**মাৰ্চ 16, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.